# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 03-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশ্ব বন্যপ্ৰাণী দিৱস উপলক্ষে গুজৰাটৰ জুনাগড় জিলাৰ ছাচনত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব।

২। কয়লা মন্ত্ৰালয়ে গুজৰাটৰ গান্ধীনগৰত আজি ব্যৱসায়িক ভিত্তিক কয়লা খনি আৱণ্টন আৰু ইয়াত বিনিয়োগৰ সুবিধা সন্দৰ্ভত এটা ৰোড শ্ব'ৰ আয়োজন কৰিছে।

৩। ভাৰত আৰু আমেৰিকাৰ মাজত প্ৰস্তাৱিত দ্বি-পাক্ষিক ব্যৱসায়িক চুক্তিৰ বাবে আলোচনা আৰম্ভ কৰিবলৈ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুছ গোৱেল আজি ৱাশ্বিংটনলৈ ৰাওনা হ'ব।

৪। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি ভাৰতক প্ৰতিনিধিত্ব কৰি উৰুগুৱেৰ ৰাষ্ট্ৰপতি য়ামাণ্ডু অৰ্চি আৰু উপ-ৰাষ্ট্ৰপতি কেৰ'লিনা ক'ছেৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে।

*আৰু*

৫। ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত ভাৰতে নিউজিলেণ্ডক ৪৪ ৰাণত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিশ্ব বন্যপ্ৰাণী দিৱস উপলক্ষে গুজৰাটৰ জুনাগড় জিলাৰ ছাচনত ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব। ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদ, সেনাৰ মুৰব্বী, বন্যপ্ৰাণী ক্ষেত্ৰত কাম কৰি থকা বিভিন্ন ৰাজ্যৰ সদস্য, বেচৰকাৰী সংস্থাৰ প্ৰতিনিধিকে আদিকে ধৰি ৪৭ গৰাকী সদস্যৰে ৰাষ্ট্ৰীয় বন্যপ্ৰাণী পৰিষদ গঠিত হৈছে। এই পৰিষদে প্ৰধানমন্ত্ৰীক অধ্যক্ষ হিচাপে লৈ বন্যপ্ৰাণী আৰু বনাঞ্চলৰ সংৰক্ষণ আৰু উন্নয়নৰ হকে কাম কৰি আহিছে। বৈঠকৰ পাছতে শ্ৰীমোদীয়ে ছাচনত কেইগৰাকীমান মহিলা বনকৰ্মীৰ সৈতে মত বিনিময় কৰিব। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত প্ৰধানমন্ত্ৰী মোদীয়ে এছীয় সিংহৰ শেষ বিচৰণ ভূমি গীৰ ৰাষ্ট্ৰীয় উদ্যানত চাফাৰী কৰিব।

প্ৰধানমন্ত্ৰীয়ে কালি জামনগৰত থকা বনতাৰা নামৰ জীৱজন্তু উদ্ধাৰ আৰু পুনৰ্বাসন কেন্দ্ৰ পৰিদৰ্শন কৰে। জিলাখনৰ ৩ হাজাৰ একৰ ভূমিত স্থাপন কৰা বনতাৰা হৈছে জীৱজন্তু উদ্ধাৰ, সংৰক্ষণ আৰু পুনৰ্বাসন কেন্দ্ৰ। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী মোদীয়ে সোমনাথ মন্দিৰত পূজা-অৰ্চনা আগবঢ়ায়। তেওঁ শ্ৰীসোমনাথ ন্যাসৰ এখন বৈঠকত অধ্যক্ষতাও কৰে। উল্লেখযোগ্য যে শ্ৰীমোদীয়ে তিনিদিনীয়া গুজৰাট ভ্ৰমণৰ উদ্দেশ্যে যোৱা শনিবাৰে ৰাজ্যখনত উপস্থিত হৈছে।

ooooo

কয়লা মন্ত্ৰালয়ে গুজৰাটৰ গান্ধীনগৰত আজি ব্যৱসায়িক ভিত্তিক কয়লা খনি আৱণ্টন আৰু ইয়াত বিনিয়োগৰ সুবিধা সন্দৰ্ভত এটা ৰোড শ্ব'ৰ আয়োজন কৰিছে। ব্যক্তিগত বিনিয়োগকাৰীক আকৰ্ষণ আৰু বাণিজ্যিক কয়লা খনিৰ প্ৰসাৰৰ প্ৰতি লক্ষ্য ৰাখি মন্ত্ৰালয়ে এই ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতৰ কয়লা খণ্ডত ব্যক্তিগত খণ্ডৰ অংশীদাৰীত্ব বৃদ্ধি কৰা, ইয়াৰ লগত জড়িত উদ্যোগিক প্ৰতিষ্ঠান আৰু এই ক্ষেত্ৰত সম্ভাৱনা থকা বিনিয়োগকাৰী আৰু নীতি নিৰ্ধাৰণকাৰীসকলক একেলগ কৰাৰ উদ্দেশ্যৰে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

কয়লা আৰু খনি দপ্তৰৰ ৰাজ্যমন্ত্ৰী সতীশ চন্দ্ৰ ডুবে এই কাৰ্যসূচীত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তেওঁ লগতে কয়লা মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব ৰূপিন্দৰ ব্ৰাৰৰ লগতে মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকিব।

ব্যৱসায়িক কয়লাখনিৰ সম্প্ৰসাৰণৰ উদ্দেশ্যেৰে ইয়াৰ লগত জড়িত পক্ষসমূহক জড়িত কৰাৰ উদ্দেশ্যৰে মন্ত্ৰালয়ে দেশৰ বিভিন্ন ঠাইত ৰোড শ্ব' আয়োজন কৰিছে। মন্ত্ৰালয়ে এই ৰোড শ্ব'ৰ দ্বাৰা কয়লাৰ উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত চৰকাৰৰ বিভিন্ন পদক্ষেপসমূহ অৱগত কৰা, এই ক্ষেত্ৰত থকা নীতিসমূহক সমৰ্থন জনোৱা আৰু আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যে এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াত অংশগ্ৰহণকাৰীসকলে কয়লা খণ্ডৰ পৰ্যাপ্ততা, বিনিয়োগৰ সুবিধাসমূহ আৰু কয়লা উদ্যোগত ব্যৱসায় সহজসাধ্য কৰি তোলাৰ সন্দৰ্ভত সবিশেষ তথ্য লাভ কৰে। কয়লা উৎপাদনৰ লগত জড়িত বিশেষজ্ঞসকলে কয়লা উৎপাদনৰ অত্যাধুনিক প্ৰযুক্তি, বহনক্ষম পদক্ষেপসমূহ আৰু এটা স্বচ্ছ নীতি প্ৰস্তুত কৰি প্ৰতিযোগিতামূলক বজাৰ দখল কৰাৰ সন্দৰ্ভত সবিশেষ অৱগত কৰিব।

ooooo

ভাৰত আৰু আমেৰিকাৰ মাজত প্ৰস্তাৱিত দ্বি-পাক্ষিক ব্যৱসায়িক চুক্তিৰ বাবে আলোচনা আৰম্ভ কৰিবলৈ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুছ গোৱেল আজি ৱাশ্বিংটনলৈ ৰাওনা হ'ব। শ্ৰীগোৱেলে আমেৰিকাৰ বাণিজ্য প্ৰতিনিধি জেমেইছন গ্ৰীৰ আৰু বাণিজ্য সচিব হাওৱাৰ্ড লুটনিকৰ সৈতে আলোচনা কৰাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শেহতীয়া ৱাশ্বিংটন ভ্ৰমণৰ সময়ত ২০৩০ চনৰ ভিতৰত দুয়ো দেশৰ বাণিজ্যিক দুগুণতকৈ অধিক বৃদ্ধিৰ প্ৰতিশ্ৰুতি ঘোষণা কৰিছিল। বিগত মাহত শ্ৰীগোৱেলে কয়, যে ভাৰত আৰু আমেৰিকাই দ্বি-পাক্ষিক বাণিজ্য ৫০০ বিলিয়ন মাৰ্কিন ডলাৰলৈ বৃদ্ধি কৰাৰ প্ৰতিশ্ৰুতি বাস্তৱায়িত কৰাৰ বাবে অহা ৬-৮ মাহৰ ভিতৰত দুয়োখন দেশ দ্বিপাক্ষিক বাণিজ্যিক চুক্তিৰ আলোচনাত মিলিত হ'ব।

ooooo

কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কালি ভাৰতক প্ৰতিনিধিত্ব কৰি উৰুগুৱেৰ ৰাষ্ট্ৰপতি য়ামাণ্ডু অৰ্চি আৰু উপ-ৰাষ্ট্ৰপতি কেৰ'লিনা ক'ছেৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে। শ্ৰীমাৰ্ঘেৰিটাই কয়, যে তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তৰফৰ পৰা উৰুগুৱেৰ নতুন চৰকাৰখলনৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ভৰিষ্যতে দুয়োখন দেশৰ সম্পৰ্ক অধিক সুদৃঢ় কৰি তুলিবলৈ উৰুগুৱেৰ নতুন চৰকাৰখনৰ সৈতে সহযোগিতা কাম কৰিবলৈ আগ্ৰহী বুলিও মন্ত্ৰী মাৰ্ঘেৰিটাই উল্লেখ কৰে। ইয়াৰ পূৰ্বে শ্ৰীমাৰ্ঘেৰিটাই উৰুগুৱেত থকা মহাত্মা গান্ধীৰ আৱক্ষ মূৰ্তিত শ্ৰদ্ধা জ্ঞাপন কৰাৰ লগতে তাত থকা ভাৰতীয় মূলৰ লোকসকলৰ সৈতে মত বিনিময় কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উৰুগুৱেৰ উদ্যোগ, শক্তি আৰু খনি মন্ত্ৰী ফাৰ্ণাণ্ডা কাৰডোনাকো সাক্ষাৎ কৰে।

তেওঁ কয়, যে এই সাক্ষাতৰ সময়ত দুয়োগৰাকী মন্ত্ৰীয়ে পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহৰ ক্ষেত্ৰত আলোচনাত মিলিত হয়। চৰকাৰী ভ্ৰমণসূচীৰে শ্ৰীমাৰ্ঘেৰিটাই যোৱা ২৮ ফেব্ৰুৱাৰীত উৰুগুৱেত উপস্থিত হৈছিল। অহা ৮ মাৰ্চলৈ চৰকাৰী ভ্ৰমণসূচীৰে মন্ত্ৰীগৰাকীয়ে বাহমাছ, বাৰ্বাডোছ আৰু নিকাৰাগুৱাতো উপস্থিত হ'ব।

00000

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত **ক্ৰমবৰ্ধিত মেদবহুলতা আৰু ইয়াৰ প্ৰতিকাৰ** সন্দৰ্ভত নতুন দিল্লীৰ এইমছৰ হৃদৰোগ বিভাগৰ সহকাৰী অধ্যাপক ডাঃ সৌৰভ আগষ্টম আৰু খাদ্য বিশেষজ্ঞ ডাঃ মালা মনৰলৰ সৈতে বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি তেওঁলোকক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

00000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফায়াৰ ফ্লাই নামৰ মহাকাশ সংস্থাটোৰ  ব্লু ঘোষ্ট নামৰ মহাকাশ যানখনে কালি চন্দ্ৰপৃষ্ঠৰ মেৰ ক্ৰিছিয়ামৰ সমীপত প্ৰথমবাৰৰ বাবে সফলতাৰে অৱতৰণ কৰে। চন্দ্ৰপৃষ্ঠত সফলতাৰে মহাকাশ যান অৱতৰণ কৰা এয়া হৈছে দ্বিতীয়টো ব্যক্তিগত অভিযান। মানৱ বিহীন এই মহাকাশ যানখনে বিভিন্ন বৈজ্ঞানিক পৰীক্ষণৰ ১০ টা সজুলি চন্দ্ৰপৃষ্ঠলৈ কঢ়িয়াই নিছে। পৃথিৱীৰ পৰা উৎক্ষেপন কৰাৰ পাছত এই মহাকাশ যানখনে ২ দশমিক ৮ মিলিয়ন মাইলছ অতিক্ৰম কৰি চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰে। সৌৰ পেনেল সংযুক্ত এই ব্লু ঘোষ্ট নামৰ মহাকাশযানখনে চন্দ্ৰপৃষ্ঠত ১৪ দিন পৰীক্ষা চলাব। ২০২৭ চনৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰই চন্দ্ৰপৃষ্ঠলৈ মহাকাশচাৰীক প্ৰেৰণ কৰাৰ পদক্ষেপৰ অংশ হিচাপে এই অভিযান চলোৱা হৈছে। চন্দ্ৰপৃষ্ঠত এতিয়ালৈকে ৫ খন ৰাষ্ট্ৰ ক্ৰমে- ৰাছিয়া, আমেৰিকা যুক্তৰাষ্ট্ৰ, চীন, ভাৰত আৰু জাপানৰ মহাকাশযানে মসৃণভাৱে সফলতাৰে অৱতৰণ কৰিছে।

00000

জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় চৰকাৰে বিমান বন্দৰসমূহ আধুনিক ৰূপত বিকশাই তুলিব বুলি কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন মন্ত্ৰী কে ৰামমোহন নাইডুৱে কালি প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কালি হায়দৰাবাদত সংবাদ মাধ্যমৰ আগত কয়, যে বৈপ্লৱিক উড়ান আঁচনিৰ জৰিয়তে দেশৰ দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ মহানগৰসমূহত বিমান বন্দৰ নিৰ্মাণ কৰা হৈছে। তেওঁ কয়, যে মন্ত্ৰালয়ে তেলেংগানাৰ কাঠগুদাম জিলাত আন এটা বিমানবন্দৰ বিকশাই তোলা হৈছে। পৰ্যটন, শিক্ষা, উৎপাদন খণ্ডৰ লেখিয়াকৈ অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়েও দেশত অত্যাধুনিকভাৱে বিকশাই তোলা বিমানবন্দসমূহে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি তেওঁ মন্তব্য কৰে।

00000

অৰ্থনীতিবিদ সুৰজিত এছ ভাল্লা আৰু কৰণ ভচিনে প্ৰকাশ কৰি উলিওৱা এখন গৱেষণা পত্ৰ মতে যোৱা দশকতকৈ দেশত দৰিদ্ৰতাৰ সংখ্যা যথেষ্ট হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে ২০২২-২৩ আৰু ২০২৩-২৪ বৰ্ষৰ ঘৰুৱা ব্যয়ৰ তথ্যৰ ভিত্তিত  অৰ্থনীতিবিদ দুগৰাকীয়ে এই গৱেষণা পত্ৰখন প্ৰকাশ কৰি

উলিয়াইছে। ভাৰতত বৰ্তমান সময়ত অতি দৰিদ্ৰতাৰ দৰে পৰিস্থিতি নাই বুলিও  দাবী কৰাৰ লগতে ২০১১-১২ বৰ্ষৰ পৰা ২০২৩-২৪ বৰ্ষলৈ এই বাৰ বছৰত ভাৰতত অসমতা যথেষ্ট হ্ৰাস পাইছে বুলিও গৱেষণা পত্ৰখনে প্ৰকাশ কৰিছে।

ooooo

ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত কালি অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফীত জয়ৰ ধাৰা অব্যাহত ৰাখি ভাৰতে গ্ৰুপ-এত নিউজিলেণ্ডৰ বিৰুদ্ধে ৪৪ ৰাণত জয়লাভ কৰে। ভাৰতে প্ৰথমে বেটিং নিউজিলেণ্ডক জয়ৰ বাবে ২৫০ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। নিউজিলেণ্ডে ৪৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ২০৫ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ বৰুণ চক্ৰৱৰ্তীয়ে ৫টা, কুলদীপ যাদৱে দুটা, হাৰ্দিক পাণ্ডিয়া, অক্ষৰ পেটেল আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট দখল কৰে। বৰুণ চক্ৰৱৰ্তীক **প্লেয়াৰ অৱ দা মেচ** ঘোষণা কৰা হয়।

ভাৰতে অহা মঙলবাৰে ডুবাইত ছেমি ফাইনেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে আৰু নিউজিলেণ্ডে অহা বুধবাৰে লাহোৰত দ্বিতীয়খন ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত